# চিহঁতে সপোন দেখে

শ্ৰীইৰা ভট্টাচাৰ্য্য
স্নাতক ২য় বাৰ্ষিক

চিহঁতে সপোন দেখে
বিজয়ৰ সপোন,
তেজৰ নৈয়ে
প্লাবিত কৰা
ৰক্তাক্ত অসমৰ
বিজয়ৰ সপোন ।
পৰিবৰ্ত্তনৰ
দুৰ্ব্বাৰ পচোৱাই
আজি
চিহঁতৰ বুকুত
বোৱাই দিছে
উপলব্ধিৰ
স্ৰোতস্বিনী নৈ ।
অজস্ৰ বন্দুকৰ শব্দই
শিকাইছে চিহঁতক
কিদৰে কৰিব লাগে
অস্তিত্ব ৰক্ষাৰ
সংগ্ৰাম :
ৰাজপথত ।
এজাক মানুহ
চিহঁতৰ দৃষ্টিত
বিদ্ধ খাই ৰয়
মধ্যাহ্নৰ
পুৱঠ ৰ'দালি ।
শূণ্য হাত ;
তথাপিও চিহঁতে
সপোন দেখে
হয়তো
অনাগত দিনৰ
প্ৰভাতী সূৰ্যহি
চিহঁতলৈ
কঢ়িয়াই আনিব
নতুনৰ প্ৰতিশ্ৰুতি ...

# এজাক ৰ'দৰ আগমনত

শ্ৰীউৎপলা শইকীয়া
স্নাতক ২য় বাৰ্ষিক ॥

মানৱে ধৰা ছাবি পাতেৰে
দুৱাৰৰ তলাটো খুলি মই আগবাঢ়িছোঁ—
নাকত এটা অকটা গোন্ধ,
কাৰোবাৰ কেঁচা ঘাম
আৰু মলিন যোৱা দিনৰ আন্ধাৰ
প্ৰতিটো অণুত
প্ৰতিটো পৰমাণুত ।

* * *

হাজাৰজনৰ মৌন কোলাহল
ইথাৰত মিছলি হৈছে—
তাৰ মাজতো
মোক আমনি কৰিছে,
মাথোন সেই একেটি অমিয়া সুৰে ।

* * *

কোনোবাই মোক কণ্ঠৰুদ্ধ কৰিব বিচাৰিছে
মই কৰ্কৰকাৱলৈ ধৰিছোঁ,
ছাবিপাত কোনোবাই কাঢ়ি নিলে,
মই চক্ খাই উঠিলোঁ
কোনোবাই দুৱাৰত তলাটো লগাই দিলে ।

* * *

এটা অট্টহাস্য
বহুদূৰলৈ প্ৰতিধ্বনিত হৈ গৈছে
সেই অমিয়া সুৰেৰে সৈতে যেন মিলি গৈছোঁ,
কেঁচা ঘামৰ গোন্ধটো
এইবাৰ দুৰ্নীয়া সুবাস হৈ
যেন কাৰোবাক আদৰণি জনাব ।

* * *

বন্ধ দুৱাৰখনৰ ফাঁকেৰে
কেনেবাকৈ এছাটি পোহৰ সোমাই আহিছে
মলিন যোৱা দিনবোৰ পোহৰত জলমলাই উঠিছে ।

* * *

মোৰ হাতৰ মুঠিটো বেছি কঠিন হৈছে,
মানৱে ধৰা তলাটো মই ভাঙি পেলাইছোঁ
এতিয়াৰে পৰা দুৱাৰখন সদায় খোলা থাকিব ।

* * *

আন্ধাৰৰ হাঁহিটো ক'ৰবাত লীন হৈ গ'ল
কোঠাটোৰ ভিতৰত এজাক ৰ'দে জলমলাই উঠিছে ।

## কলেজ সপ্তাহৰ সাংস্কৃতিক প্ৰতিযোগিতাৰ ফলাফল
## ১৯৮৩-৮৪ চন।

আবৃত্তি :

**অসমীয়া কবিতা :**

১ম— শ্ৰীত্ৰিবেণী বৰা
২য়— ,, নীতা শৰ্মা
৩য়— ,, অভিনন্দা বৰা

**সংস্কৃত কবিতা :**

১ম— শ্ৰীৰ্কা গোস্বামী
২য়— ,, অদিতি ভূঞা
৩য়— ,, অৰ্পনা গোস্বামী

**বঙালী কবিতা :**

১ম— শ্ৰীচন্দনা দাস
২য়— ,, নীতা শৰ্মা
৩য়— ,, মিলু পাল

**ইংৰাজী কবিতা :**

১ম — শ্ৰীচন্দনা দাস
২য়— ,, মিলু পাল
৩য় — ,, দীপিকা দাস

**হিন্দী কবিতা :**

১ম — নিশা আগৰৱালা
২য়— স্মিতা আগৰৱালা

**আকস্মিক বক্তৃতা :**

১ম — শ্ৰীকবিতাৰাণী দাস ( ভাওনা )
২য়— ,, দীপিকা দাস ( গুৱালপালি )
৩য় — ,, মণিকুন্তলা ভট্টাচাৰ্য্য ( কেৰাহী )

**তৰ্ক প্ৰতিযোগিতা :**

১ম— শ্ৰীদীপিকাৰালা দাস
২য়— ,, অনুৰূপা শৰ্মা
৩য়— ,, মানী গোস্বামী

**স্বৰচিত কবিতা :**

১ম— নাই
২য়— মণিকুন্তলা ভট্টাচাৰ্য্য ( সংকেত )
৩য় — উৎপলা বৰা ( শান্তি )
ত্ৰিবেণী বৰা ( অজানিতে )

**চুটি গল্প :**

উপলনি বাঁটা— শ্ৰীমণিকুন্তলা ভট্টাচাৰ্য্য
[ অব্যক্ত বেদনা ]

**প্ৰদৰ্শনী :**

চাৰুকলা
১ম— শ্ৰীস্মিতা আগৰৱালা

**কাৰু-কলা :**

১ম— শ্ৰীদীপিকাৰালা দাস

**সূচীকলা :**

১ম— ত্ৰিবেণী বৰা

**বয়ন শিল্প :**

১ম— শ্ৰীপ্ৰতিমা হাজৰিকা

**স্থলিতে ৰচা কবিতা :**

( বিষয় – ভৱিষ্যত দ্বন্দ্ব )
১ম — নাই
২য়— দীপিকাৰালা দাস
৩য়— মণিকুন্তলা ভট্টাচাৰ্য্য
নীতা শৰ্মা

[ এই প্ৰতিযোগিতাৰ ফলাফল সমূহ দি সহায় আগবঢ়ালে সাংস্কৃতিক সম্পাদিকা শ্ৰীত্ৰিবেণী বৰাই—সম্পাদিকা ]

## ১৯৮৩-৮৪ চনৰ কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত সংগীত প্ৰতিযোগিতাৰ ফলাফল

জ্যোতি-সঙ্গীত : ১ম— শ্ৰীঅদিতি ভূঞা
২য়— ,, মণিমা শইকীয়া
,, কল্পনা পাণ্ডৱ
৩য়— ,, হিমাদ্ৰি শৰ্মা

বিষ্ণুৰাভাৰ সঙ্গীত : ১ম— শ্ৰীমণিমা শইকীয়া
২য়— ,, অদিতি ভূঞা
৩য়— ,, হিমাদ্ৰি শৰ্মা

ভূপেন্দ্ৰ সঙ্গীত : ১ম— শ্ৰীঅদিতি ভূঞা
,, মণিমা শইকীয়া
২য়— ,, অঞ্জলি বাজখোৱা
৩য় — ,, মনিকা চন্দ

ৰবীন্দ্ৰ সঙ্গীত : ১ম — শ্ৰীঅদিতি ভূঞা
২য়— ,, বন্দা পাল
৩য়— ,, জিপিকা ব্যানাৰ্জী

ভজন : ১ম— শ্ৰীবাগিনী ভট্টাচাৰ্য্য
২য়— ,, অদিতি ভূঞা
৩য়— ,, মণিমা শইকীয়া

বনগীত : ১ম— শ্ৰীনীতা শৰ্মা
২য়— ,, অদিতি ভূঞা
৩য়— ,, অলী শইকীয়া

আধুনিক : ১ম— শ্ৰীঅদিতি ভূঞা
২য়— ,, বাগিনী ভট্টাচাৰ্য্য
৩য়— ,, কল্পনা পাণ্ডৱ

লোকগীত : ১ম— শ্ৰীহিমাদ্ৰি শৰ্মা
২য়— ,, অদিতি ভূঞা
৩য়— ,, কল্পনা পাণ্ডৱ

আইনাম : ১ম— শ্ৰীঅদিতি ভূঞা
২য় — ,, মণিমা শইকীয়া
৩য়— ,, হিমাদ্ৰি শৰ্মা

[ সঙ্গীত প্ৰতিযোগিতাৰ ফলাফল আলোচনীত প্ৰকাশ কৰাত সুবিধা আগবঢ়ালে অধ্যাপক তত্ত্বাৱধায়ক ইয়াৰ আলি চাবে—সম্পাদিকা ]

